# ডাপগ পদ্ধতিৰে কঠীয়া উৎপাদন

ড° অভিজিৎ শৰ্মা
ৰূপজ্যোতি বড়া

**ডাপগ পদ্ধতিৰে** জাপান আৰু ফিলিপিনচত কঠীয়া উৎপাদন কৰা হয়। আমাৰ বানাক্ৰান্ত **অঞ্চল বিলাকতো কঠীয়াৰ** আকাল হ'লে বা কঠীয়া পাৰিবলৈ মাটি প্ৰস্তুত কৰিবলৈ সময়ৰ **অভাব হ'লে** ডাপগ পদ্ধতিৰ সহায়ত কমদিনতে কঠীয়া ৰুব পৰা হয়। এই পদ্ধতিত ধানৰ বীজ **মাটিৰ সংস্পৰ্শলৈ** নহাকৈ পকাৰ মজিয়া, কাঠৰ তক্তা, ট্ৰে আদিত ছটিয়াই দি গজিবলৈ দিয়া **হয় আৰু** ১২ দিনত কঠীয়া ৰুব পৰা হয়। ডাপগ পদ্ধতিৰে কঠীয়া উৎপাদন পদ্ধতি তলত দিয়া হ'লঃ-

১। কঠীয়া পাৰিবলৈ ব্যৱহাৰ কৰা ধানৰ বীজখিনি শোধন কৰি ল'ব। শোধন কৰিবলৈ ইন্দফিল এম-৪৫ , কেপটাফ অথবা ফলটাফ ২.৫ গ্ৰাম বা বেভিষ্টিন ১.০ গ্ৰাম প্ৰতি লিটাৰ পানীত মিহলাই বীজখিনি এদিন এনিশা তিয়াই থ'ব লাগে।

২। শোধিত বীজখিনি গজালি মেলিবলৈ দুদিন গাপ দিব লাগে।

৩। গজালি মেলা বীজখিনি পকা মজিয়া, চোতালৰ চুক, সমান টিনপাত, কাঠৰ তক্তা আদি টান সমতলৰ ওপৰত পলিথিন পাৰি ঘনকৈ ছটিয়াব। এক বৰ্গমিটাৰত প্ৰায় ১.৫ কিঃ গ্ৰাঃ বীজ ছটিয়াব লাগে।

৪। কঠীয়াতলিত অনবৰতে জীপ থকাকৈ পানী ছটিয়াই থাকিব লাগে আৰু মাজে মাজে কাঠ এটুকুৰাৰে লাহেকৈ হেঁচা দি শিপাবোৰ তলি স্পৰ্শ কৰি থাকিব পৰাৰ ব্যৱস্থা কৰি দিব লাগে যাতে পানী শোহাত অলপো অসুবিধা নহয়।

৫। কঠীয়া ২ ইঞ্চিমান ওখ হ'লে $^{১}/_{২}$ ইঞ্চি পানী ৰখাৰ ব্যৱস্থা কৰিব লাগে।

৬। প্ৰায় ১২ দিনমানৰ পিছত শিপা মাটিত ৰুব পৰা জোখাৰে দীঘল হয়। অতি ঘনকৈ কঠীয়া পৰাৰ বাবে কঠীয়াৰ শিপাই জঁট বান্ধিব।

৭। এই কঠীয়াবোৰ ৩-৪ ফুট বহলকৈ কাটি ফিটাৰ দৰে নুৰিয়াই ৰুবৰ বাবে পথাৰলৈ নিব পৰা হয়।

৮। সাত বৰ্গমিটাৰ ক্ষেত্ৰত পৰা কঠীয়াৰে (প্ৰায় ১০ কিঃগ্ৰাঃ বীজেৰে) এবিঘা মাটি ৰুব পৰা হয়।

**ডাপগ পদ্ধতিৰ সুবিধা সমূহঃ**

- কঠীয়া পাৰিবলৈ সহজ।
- সাধাৰণভাৱে কঠীয়া পৰাতকৈ ধান ৪ দিন আগতে ফুলে।
- ১২ দিনতে কঠীয়া ৰুব পৰা হয়।
- কঠীয়া তোলা সময়/খৰচ ৰাহি হয়।

কৃষি বিজ্ঞান কেন্দ্ৰ, খুমটাই, গোলাঘাট-৭৮৫৬১৯ ৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত।